Leaflet No.: NRC Assam/leaflet/verification-1/2015

NRC
NATIONAL REGISTER OF CITIZENS

# এখন শুদ্ধ নাগৰিকপঞ্জী প্ৰস্তুতকৰণৰ বাবে এন আৰ চি আবেদনপত্ৰৰ পৰীক্ষণ আৰু পৰিয়ালৰ বংশবৃক্ষৰ বিস্তৃত বিৱৰণ দাখিল সম্পৰ্কীয় প্ৰচাৰপত্ৰিকা

## এন আৰ চি উন্নীতকৰণ প্ৰক্ৰিয়াত বৰ্তমানে কি চলি আছে ?

৬৮.৩৩ লাখ আবেদনপত্ৰ আৰু প্ৰায় ৫ কোটি নথিপত্ৰৰ পৰীক্ষণৰ কাম পূৰ্ণগতিত চলি আছে। আবেদনপত্ৰবোৰ টাইপ কৰি কম্পিউটাৰত ভৰোৱা (ডিজিটাইজেশ্বন)ৰ কামো প্ৰায় শেষ হোৱাৰ পথত।

## পৰীক্ষণৰ পদ্ধতি কি ?

নাগৰিকত্ব (নাগৰিক পঞ্জীয়ন আৰু ৰাষ্ট্ৰীয় পৰিচয়পত্ৰ প্ৰদান) আইন, ২০০৩ৰ ধাৰা ৩ৰ ভিত্তিত এই পৰীক্ষণ প্ৰক্ৰিয়া পৰিচালিত হৈছে য'ত আবেদনপত্ৰসমূহৰ পৰীক্ষণ প্ৰক্ৰিয়াৰ বিৱৰণ উল্লেখিত আছে আৰু এনেদৰে নিৰ্দেশ দিয়া হৈছে যে, "ধাৰা ২ৰ উপ-ধাৰা (৩)ৰ অধীনত গ্ৰহণ কৰা আবেদনপত্ৰৰ পৰীক্ষণ আবেদনপত্ৰত উল্লেখ কৰা তথ্যৰ লগত কাৰ্য্যালয়ৰ তথ্য মিলাই চাই, যিসকল ব্যক্তিৰ তথ্য সঠিক পোৱা যাব তেওঁলোক সংকলিত তালিকাত অন্তৰ্ভুক্ত হোৱাৰ বাবে যোগ্য হ'ব।"

## পৰীক্ষণ প্ৰক্ৰিয়াটো কেনেধৰণৰ হ'ব ?

সাধাৰণতে কোনো নথিপত্ৰ প্ৰমাণিতকৰণৰ পদ্ধতি হৈছে বিশ্ববিদ্যালয়ত নাম ভৰ্তি বা যিকোনো চাকৰিৰ নিয়োগৰ সময়ত কৰাৰ দৰে ফটোকপিৰ লগত ইয়াৰ মূল প্ৰতিলিপি মিলাই চোৱা। কিন্তু এখন শুদ্ধ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰস্তুত কৰি উলিয়াবলৈ এই পদ্ধতি যথেষ্ট নহয়। এইক্ষেত্ৰত প্ৰমাণিতকৰণ সম্পূৰ্ণ নিৰ্ভুল হ'ব লাগিব। দাখিল কৰা প্ৰায় ৫ কোটি নথিৰ প্ৰতিখন, নথি প্ৰদানকাৰী কৰ্তৃপক্ষৰ ওচৰলৈ নিম্নলিখিতখিনি নিশ্চিত কৰিবলৈ পঠিওৱা হ'ব -

১। সেই নথিখন প্ৰকৃততে কৰ্তৃপক্ষৰ দ্বাৰা জাৰী কৰা হৈছিল নে নাই আৰু,

২। আবেদনকাৰীয়ে দাখিল কৰা নথিখনত উল্লেখিত বিৱৰণসমূহ সংশ্লিষ্ট কৰ্তৃপক্ষৰ দ্বাৰা জাৰী কৰা মূল নথিত লিপিবদ্ধ বিৱৰণৰ লগত মিলি আছে নে নাই।

***কাৰ্য্যালয় পৰীক্ষণৰ দ্বাৰা নকল বুলি প্ৰমাণিত হোৱা নথিপত্ৰসমূহ বাতিল কৰা হ'ব।***

## ক্ষেত্ৰ পৰীক্ষণ পৰিচালনা

পৰীক্ষণকাৰীৰ দল ঘৰে ঘৰে গৈ নিম্নলিখিত বিষয়সমূহ নিশ্চিত কৰিব -

১। আবেদনকাৰীৰ পৰিচয়ৰ প্ৰমাণ আৰু ফটো মিলাই চাব।

২। দাখিল কৰা নথিৰ লগত মূল নথি মিলাই চাব।

৩। দাখিল কৰা নথিখিনি সংশ্লিষ্ট ব্যক্তিৰ হয় নে নহয় মিলাই চাব।

৪। তালিকা-Bৰ নথিৰ দ্বাৰা সম্পৰ্কৰ দাবীৰ পৰীক্ষণ।

৫। তালিকা-Bৰ অবিহনে পৰীক্ষণকাৰীৰ দলৰ দ্বাৰা আইনী পদ্ধতিত সম্পৰ্কৰ যোগসূত্ৰ নিশ্চিত কৰা হ'ব।

৬। লিগেচি ডাটাত ওৰফে / ভুলকৈ থকা নামৰ সঠিক বিৱৰণ নিৰ্দ্ধাৰণ।

৭। আবেদনপত্ৰত শুধৰণি কৰিব (যদি প্ৰয়োজন হয়), প্ৰশ্নৰ পূৰ নকৰা উত্তৰৰ বিৱৰণ সংগ্ৰহ কৰিব (যদি প্ৰয়োজন হয়)।

৮। অতিৰিক্ত কোনো নথি সংগ্ৰহ কৰা।

৯। সমগ্ৰ অসমত বিভিন্ন আবেদনকাৰীৰ দ্বাৰা দাখিল কৰা বিৱৰণৰ লগত মিলাই চাবলৈ পৰিয়ালৰ বংশবৃক্ষ (পৰিয়ালৰ সদস্যসকলৰ তালিকা) সংগ্ৰহ কৰা। আবেদনকাৰীৰ দ্বাৰা দাখিল কৰা বিৱৰণ অনুসৰি কম্পিউটাৰসম্ভূত বংশবৃক্ষৰ লগত সংগ্ৰহকৃত বংশবৃক্ষ মিলাই চাই ভুৱা দাবীসমূহৰ চিনাক্তকৰণ এই পদ্ধতিৰ এটি গুৰুত্বপূৰ্ণ পৰ্য্যায়।

## বংশবৃক্ষ আৰু পৰিয়ালৰ বংশবৃক্ষ ফৰ্ম মানে কি ?

বংশবৃক্ষ হ'ল আপোনাৰ পৰিয়ালৰ বিভিন্ন প্ৰজন্মৰ বিৱৰণ য'ত অন্তৰ্ভুক্ত হ'ব লিগেচি ব্যক্তিৰ সন্তান আৰু তেওঁৰ নাতি-নাতিনীৰ নাম।

আবেদনকাৰীৰ পৰিয়ালৰ বিৱৰণ জনাৰ বাবে এন আৰ চি কৰ্তৃপক্ষৰ দ্বাৰা প্ৰস্তুত কৰি উলিওৱা ফৰ্মখনেই হৈছে পৰিয়ালৰ বংশবৃক্ষৰ ফৰ্ম। এই ফৰ্মখনত আবেদনকাৰীয়ে লিগেচি ব্যক্তি, তেওঁৰ সন্তান আৰু নাতি-নাতিনীকে আদি কৰি পৰিয়ালৰ বিভিন্ন প্ৰজন্মৰ নামেৰে সৈতে তেওঁলোকৰ বিৱৰণ দাঙি ধৰিব।

## পৰিয়ালৰ বংশবৃক্ষৰ বিৱৰণ কোনবিলাক পৰিয়ালে জমা দিব লাগিব ?

এন আৰ চিত নাম অন্তৰ্ভুক্তিৰ বাবে সেৱা কেন্দ্ৰত অথবা অনলাইযোগে আবেদন জনোৱা প্ৰতিটো পৰিয়ালে পৰীক্ষণকাৰী দলক ক্ষেত্ৰ পৰীক্ষণৰ সময়ত তেওঁলোকৰ বংশবৃক্ষৰ বিৱৰণ দাঙি ধৰিব লাগিব।

## আবেদনকাৰীসকলে বংশবৃক্ষৰ বিৱৰণ কিয় দাখিল কৰিব লাগে ?

- কোনো অসাধু লোকে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভুক্তিৰ বাবে ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা) পৰ্য্যন্ত অসম / ভাৰতৰ যিকোনো ঠাইত বসবাস কৰাৰ প্ৰমাণ থকা ব্যক্তিসকলৰ বংশৰ সৈতে নিজৰ সম্বন্ধ থকাৰ অসত্য দাবী উত্থাপন কৰিব পাৰে।
- এনেধৰণৰ অসত্য দাবী চিহ্নিত কৰিবলৈ লিগেচি ব্যক্তিৰ সৈতে দাবী কৰা সম্পৰ্কৰ সকলো যোগসূত্ৰ ভালদৰে পৰীক্ষণ আৰু পুনঃ পৰীক্ষণ কৰাৰ প্ৰয়োজন আছে।
- গৃহীত আবেদনপত্ৰসমূহ পৰীক্ষা কৰি কম্পিউটাৰৰ দ্বাৰা পৰিয়ালৰ বংশবৃক্ষ উলিয়াবলৈ ছফ্টৱেৰ তৈয়াৰ কৰা হৈছে য'ত এজন লিগেচি ব্যক্তিৰ লগত সম্পৰ্কৰ যোগসূত্ৰ দাবী কৰা তেওঁৰ সন্তান / নাতি-নাতিনীসকলৰ বিৱৰণ থাকিব। অসত্য দাবীসমূহ চিনাক্ত কৰিবলৈ পৰীক্ষণকাৰী বিষয়াসকলৰ দ্বাৰা ঘৰে ঘৰে গৈ পৰিয়ালৰ বংশবৃক্ষৰ বিস্তৃত বিৱৰণ আগতীয়াকৈ সংগ্ৰহ কৰা হ'ব। ইয়াক পৰিয়ালৰ মেনুৱেল বংশবৃক্ষৰ তথ্য সংগ্ৰহ বুলি কোৱা হয়। কম্পিউটাৰসম্ভূত পৰিয়ালৰ বংশবৃক্ষৰ লগত পৰিয়ালে জমা দিয়া বংশবৃক্ষৰ তথ্য মিলাই চাই অসত্য দাবীসমূহ চিনাক্ত কৰা হ'ব। যদি ছফ্টৱেৰসম্ভূত বংশবৃক্ষত কোনো ব্যক্তিৰ লগত ৬ গৰাকী ককাই / ভাইয়ে সম্পৰ্কৰ যোগসূত্ৰ দাবী কৰিছে বুলি দেখুওৱা হয়, কিন্তু প্ৰকৃততে সেই পৰিয়ালটোৱে সেই লিগেচি ব্যক্তিজনৰ ৫ গৰাকী পুত্ৰ থকা বুলিহে দাবী কৰিছে, সেইক্ষেত্ৰত পৰীক্ষণকাৰী বিষয়াসকলে তথাকথিত ষষ্ঠ ব্যক্তিজনৰ দাবী (যাৰ নামৰ উল্লেখ পৰিয়ালৰ বংশবৃক্ষত নাই) সহজতেই অসত্য বুলি চিনাক্ত কৰিব পাৰিব।
- পৰিয়ালৰ বংশবৃক্ষ আগতীয়াকৈ সংগ্ৰহ কৰি লোৱা বাবে কোনো অসাধু ব্যক্তিয়ে তেওঁৰ লিগেচিৰ মিছা দাবী কৰা কোনো ব্যক্তিক ধনৰ বিনিময়ত নিজৰ পৰিয়ালৰ অংশ বুলি এন আৰ চিত সুমুৱাই ল'ব নোৱাৰিব।
- এন আৰ চি কৰ্তৃপক্ষক আগতীয়াকৈ পৰিয়ালৰ বংশবৃক্ষৰ তথ্য দিলে ক্ষেত্ৰ পৰীক্ষণৰ সময়ত পৰিয়ালৰ সদস্যসকলে সম্পৰ্কৰ যোগসূত্ৰ প্ৰমাণ কৰিবলৈ অসুবিধা নহয়।
- বংশবৃক্ষৰ বিস্তৃত বিৱৰণ দাখিলৰ দ্বাৰা এইদৰে পৰীক্ষণকাৰী বিষয়াৰ দলে (১) অসত্য দাবীসমূহ চিনাক্ত কৰিব পাৰিব (২) ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভুক্তিৰ বাবে কোনো অবৈধ প্ৰব্ৰজনকাৰীৰ দ্বাৰা বহুমূলীয়া এই লিগেচি ডাটাৰ অপব্যৱহাৰ ৰোধ কৰিব পাৰিব আৰু (৩) পৰিয়ালৰ সদস্যসকলৰ বাবে সম্পৰ্কৰ যোগসূত্ৰ প্ৰমাণৰ ই এক মূল্যৱান তথ্য হ'ব।

**অসত্য দাবীসমূহ চিনাক্ত কৰিবলৈ পৰিয়ালৰ বংশবৃক্ষৰ ভূমিকা অতিকৈ গুৰুত্বপূৰ্ণ। সেয়েহে, ত্ৰুটিমুক্ত এখনি নাগৰিকপঞ্জী প্ৰস্তুত কৰি উলিয়াবলৈ পৰিয়ালৰ বংশবৃক্ষ দাখিল কৰাটো নাগৰিকসকলৰ বাবে এক অত্যন্ত মূল্যৱান বৰঙণি হ'ব।**

## বংশবৃক্ষৰ বিৱৰণ কেনেকৈ জমা দিব ?

পৰীক্ষণকাৰীৰ দলে ঘৰে ঘৰে গৈ আবেদনকাৰীসকলৰ পৰিয়ালৰ বংশবৃক্ষ সংগ্ৰহ কৰিব। এই ফৰ্মসমূহ এন আৰ চি সেৱা কেন্দ্ৰ আৰু এন আৰ চি, অসমৰ ৱেবচাইটত (**www.nrcassam.nic.in**) পোৱা যাব।

## পৰিয়ালৰ বংশবৃক্ষৰ তালিকা পূৰণ কৰাটো বাধ্যতামূলক নেকি ?

- পৰীক্ষণকাৰী দলক দিয়াৰ বাবেবংশবৃক্ষৰ এই প্ৰপত্ৰ আগতীয়াকৈ পূৰণ কৰি প্ৰস্তুত কৰি ৰখাটো বাধ্যতামূলক নহয়। কিন্তু পৰীক্ষণকাৰীৰ দলে যেতিয়া ঘৰে ঘৰে গৈ এই তথ্য সংগ্ৰহ কৰিব, তেতিয়া আবেদনকাৰীয়ে এই তথ্যসমূহ পৰীক্ষণকাৰী দলক জনোৱাটো বাধ্যতামূলক।
- **নাগৰিকত্ব (নাগৰিক পঞ্জীয়ন আৰু ৰাষ্ট্ৰীয় পৰিচয়পত্ৰ প্ৰদান) আইন ২০০৩ৰ ধাৰা ৮ৰ** অধীনত পৰীক্ষণকাৰী বিষয়াসকলক ক্ষমতা প্ৰদান কৰা হৈছে যে, প্ৰয়োজন সাপেক্ষে এই বিষয়াসকলে কোনো ব্যক্তিৰ পৰা তেওঁৰ জ্ঞাত যিকোনো তথ্য বিচাৰিব পাৰিব যাৰ দ্বাৰা কোনো ব্যক্তিৰ নাগৰিকত্বৰ স্থিতি নিৰূপণ কৰিব পৰা যাব আৰু সেই ব্যক্তিসকলে এই তথ্যপাতি নিৰীক্ষণকাৰী দলক অৱগত কৰিবলৈ আইনগতভাৱে বাধ্য। সেয়েহে, জনসাধাৰণে পৰীক্ষণকাৰী বিষয়াৰ ওচৰত বংশবৃক্ষ দাখিল কৰাটো প্ৰয়োজনীয়।
- জনসাধাৰণে আগতীয়াকৈ এই প্ৰপত্ৰসমূহ পূৰণ কৰি নথ'লে পৰীক্ষণকাৰীৰ দলে ঘৰে ঘৰে গৈ পৰীক্ষণৰ সময়ত এই তথ্যবোৰ সংগ্ৰহ কৰি লিপিবদ্ধ কৰিব।
- সেয়েহে, বাধ্যতামূলক নহ'লেও, আগতীয়াকৈ এই তথ্যসমূহ প্ৰস্তুত কৰি থ'লে বিষয়াসকল আৰু জনসাধাৰণ দুয়োৰে বাবে দ্ৰুত পৰীক্ষণ আৰু তথ্য লিপিবদ্ধ কৰাত ই সহায়ক হ'ব।

## পৰিয়ালৰ বংশবৃক্ষৰ ফৰ্মখন পূৰণ কৰিবলৈ অশিক্ষিত লোকসকলক সহায় কৰাৰ কিবা ব্যৱস্থা আছেনে ?

পৰীক্ষণকাৰীৰ দলে ঘৰে ঘৰে গৈ পৰীক্ষণ কৰাৰ সময়ত পৰিয়ালৰ পৰা তথ্যখিনি পূৰণ কৰিব।

## পৰিয়ালৰ বংশবৃক্ষৰ ফৰ্ম কেনেকৈ পূৰণ কৰিব ? (বংশবৃক্ষৰ নমুনা ২য় পৃষ্ঠাত দিয়া হৈছে)।

জনসাধাৰণে পৰিয়ালৰ বংশবৃক্ষত নিম্নলিখিত তথ্যখিনি উল্লেখ কৰিব লাগিব।

ক) **এ আৰ এন নম্বৰ (আবেদন প্ৰাপ্তিৰ নম্বৰ) ঃ** এন এছ কে বা অনলাইনত আবেদনপত্ৰ জমা দিয়াৰ সময়ত আবেদনকাৰীসকলে পোৱা আবেদন প্ৰাপ্তিৰ নম্বৰ পৰিয়ালৰ বংশবৃক্ষৰ ফৰ্মৰ প্ৰথম কলমত লিখিব লাগিব।

খ) **লিগেচি ডাটা কোড ঃ** আবেদনকাৰীয়ে ইয়াত লিগেচি ডাটা কোড লিখিব লাগিব। পৰিয়ালৰ দ্বাৰা যদি এটাতকৈ অধিক লিগেচি ডাটা কোড (যিটো বিবাহিত মহিলাৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব, কাৰণ তেওঁ নিজৰ পিতৃ-মাতৃ বা পূৰ্বজৰ লিগেচি ডাটা কোড (যদি উপলব্ধ থাকে) উল্লেখ কৰিব) ব্যৱহৃত হয় তেনেক্ষেত্ৰত পৃথকভাৱে উল্লেখ কৰিব।

গ) **লিগেচি ব্যক্তিৰ নাম ঃ** এই অংশত সেই লিগেচি ব্যক্তিজনৰ নাম উল্লেখ কৰিব লাগিব যাৰ লিগেচি ডাটা কোড পৰিয়ালটোৱে সম্পৰ্কৰ যোগসূত্ৰৰ বাবে ব্যৱহাৰ কৰিছে। এখন ঘৰত যদি এটাতকৈ বেছি লিগেচি ডাটা কোড ব্যৱহৃত হৈছে যেনে, স্বামী আৰু স্ত্ৰীয়ে তেওঁলোকৰ নিজ নিজ পূৰ্বজৰ লিগেচি ডাটা কোড ব্যৱহাৰ কৰিছে, সেইক্ষেত্ৰত লিগেচি ডাটা কোডৰ বিৱৰণ পৰিয়ালৰ বংশবৃক্ষৰ ফৰ্মৰ দুই পিঠিত দাখিল কৰিব লাগিব।

ঘ) **লিগেচি ব্যক্তিৰ স্বামী / স্ত্ৰীৰ নাম ঃ** এই স্তম্ভত লিগেচি ব্যক্তিজনৰ স্বামী / স্ত্ৰীৰ নাম লিখিব লাগিব। যদি লিগেচি ব্যক্তিজনৰ একাধিক স্বামী /স্ত্ৰী আছে / আছিল তেনেহ'লে তেওঁলোকৰ নাম 'কমা' (,)ৰ দ্বাৰা পৃথকভাৱে লিখিব লাগিব।

ঙ) **লিগেচি ব্যক্তিৰ পুত্ৰ-কন্যা আৰু নাতি-নাতিনীসকলৰ নাম ঃ** এই দুটা স্তম্ভত লিগেচি ডাটা কোডৰ গৰাকীৰ পুত্ৰ-কন্যা আৰু নাতি-নাতিনীৰ নাম লিখিব লাগিব। পৰিয়ালৰ বংশবৃক্ষত উল্লেখিত এই সকলো ব্যক্তিয়েই যে একেখন আবেদনপত্ৰৰ যোগেদিয়েই আবেদন কৰিব অৰ্থাৎ তেওঁলোকৰ ক্ষেত্ৰতয়ে একেই 'এ আৰ এন' নম্বৰ প্ৰযোজ্য সেইটো জৰুৰী নহয়। যেনে, যদি লিগেচি ব্যক্তিজনৰ ৪ গৰাকী পুত্ৰ আৰু ২ গৰাকী কন্যা সন্তান আছে আৰু তেওঁলোকে বিভিন্ন গাঁৱত বসবাস কৰি আছে, তেনেহ'লে স্বাভাৱিকতেই এই ৪ গৰাকী পুত্ৰ আৰু ২ গৰাকী কন্যাই পৃথকভাৱে আবেদন কৰিব আৰু তেওঁলোকে ৬ টা ভিন্ন 'এ আৰ এন' নম্বৰ পাব। কিন্তু এই সকলোৰে বিৱৰণ বংশবৃক্ষৰ ফৰ্মত আহৰণ কৰাৰ উদ্দেশ্য হ'ল যে, এই ৪ গৰাকী পুত্ৰ, ২ গৰাকী কন্যা আৰু তেওঁলোকৰ সন্তানৰ বিৱৰণ সংগ্ৰহ কৰি লিগেচি ব্যক্তিজনৰ এটি বংশবৃক্ষ তৈয়াৰ কৰা হ'ব যি সেই সন্তান-সন্ততিসকলে আবেদনপত্ৰৰ জৰিয়তে কৰা দাবীৰ লগত মিলাই চোৱা হ'ব যাতে কোনো অসাধু ব্যক্তিয়ে যাতে সেই লিগেচি ব্যক্তিজনৰ পুত্ৰ বা কন্যা হিচাবে নিজৰ দাবী উত্থাপন কৰিব নোৱাৰে।

চ) **লিগেচি ব্যক্তিৰ সন্তান আৰু নাতি-নাতিনীসকলৰ বৰ্তমান ঠিকনা ঃ** যদি কাৰোবাৰ সম্পূৰ্ণ ঠিকনা জ্ঞাত নহয়, তেনেহ'লে সাধাৰণ বিৱৰণ যেনে জিলাৰ নাম উল্লেখ কৰিলেই হ'ব।

